# "ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক ৰীতি-নীতি"

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ যান্মাসিকৰ অসমীয়া
**DSE-3(H)** কাকতৰ বাবে প্ৰস্তুত কৰা [illegible] গৱেষণা প্ৰকল্প ।

সুস্মিতা বড়া


তত্ত্বাৱধায়ক
ড° বৰ্ণালী শইকীয়া
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
সুস্মিতা বড়া
স্নাতক ষষ্ঠ যান্মাসিক
অসমীয়া বিভাগ
**Roll No - 30810169**
**Registration No-S1921784**



নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ, যোৰহাট
ইং-২০২২ বৰ্ষ



Scanned by CamScanner

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০

প্ৰসঙ্গ নং.........

তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণ পত্ৰ**

শ্ৰীমতী সুস্মিতা বড়া স্নাতক ষষ্ঠ যান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০১৬৯) ৰ ছাত্ৰী। তেওঁ ড° বৰ্ণালী শইকীয়াৰ তত্বাৱধানত **DSE-2(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ "**ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক ৰীতি-নীতি**" বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

Scanned by CamScanner

# কৃতজ্ঞতা

‘ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক ৰীতি-নীতি’ শীৰ্ষক ক্ষুদ্ৰ গৱেষণা পত্ৰখনত ঠেঙ্গাল কছাৰীসকলৰ সামাজিক লোকাচাৰৰ ক্ষেত্ৰখন তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে। গৱেষণা পত্ৰখনি ড° বৰ্ণালী শইকীয়াৰ তত্ত্বাৱধানত প্ৰস্তুত কৰা হৈছে।

বিষয় নিৰ্বাচনৰ লগতে বিভিন্ন দিহা-পৰামৰ্শ দি সহায়-সহযোগ আগবঢ়োৱাৰ বাবে বৰ্ণালী শইকীয়া বাইদেউক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিভিন্ন ক্ষেত্ৰত সহায় কৰা অসমীয়া বিভাগৰ সকলো ছাৰ-বাইদেউ আৰু ৰাজনীতি-বিজ্ঞান বিভাগৰ অধ্যাপক হেমেন্দ্ৰ ঠেঙাল ছাৰৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো।

গৱেষণা পত্ৰখন প্ৰস্তুত কৰিবলৈ বিভিন্ন তথ্যৰ সম্ভেদ দি সহায় কৰা তিতাবৰৰ ২নং বেবেজীয়া কছাৰী গাঁৱৰ ভুৱন বড়া আৰু সুচিত্ৰা কছাৰীকো ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ডি.টি.পি.ত সহায় কৰা মুনমী দত্ত লৈও অশেষ ধন্যবাদ থাকিল। ইয়াৰ উপৰিও গৱেষণা কাৰ্যত সহায়-সহযোগ কৰা সমূহ বন্ধু-বান্ধৱীলৈকে ধন্যবাদ জ্ঞাপন কৰিলোঁ। আৰম্ভণিৰে পৰা গৱেষণা পত্ৰখন প্ৰস্তুত কৰাত সহায় কৰা বৰতাৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো।

সুস্মিতা বড়া

সুস্মিতা বড়া

Scanned by CamScanner

# অসমীয়া বিভাগ
# নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ
## স্থাপিত ঃ ১৯৫৯
## প্ৰমাণ-পত্ৰ

তাং ঃ ০৭-০৭-২০২২

শ্ৰী/শ্ৰীমতী সুস্মিতা বড়া স্নাতক কলা শাখাৰ ষষ্ঠ ষান্মাসিকৰ (ৰোল নং -30810169), (Registration No-S1921784) ছাত্ৰ/ছাত্ৰী। তেওঁ মোৰ তত্ত্বাৱধানত DSE-2(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে "ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক ৰীতি নীতি" বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

বৰ্ণালী শইকীয়া

তত্ত্বাৱধায়ক

অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ।

Scanned by CamScanner

# সূচীপত্ৰ


| বিষয় | | | পৃষ্ঠা |
|---|---|---|---|
| | কৃতজ্ঞতা | | |
| | তত্ত্বাৱধায়কৰ পৰিচয় পত্ৰ | | |
| | বিভাগীয় প্ৰধানৰ প্ৰমাণ পত্ৰ | | |
| | প্ৰস্তাৱনা | | |
| প্ৰথম অধ্যায় ঃ | ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ ইতিহাস আৰু পৰিচয় | ঃ | ১-৪ |
| দ্বিতীয় অধ্যায় ঃ | ঠেঙ্গাল কছাৰীৰ সামাজিক ৰীতি-নীতি | ঃ | ৫-১৪ |
| | ২.০১ ধৰ্মীয় লোকাচাৰ | ঃ | ৫ |
| | ২.০১ ধৰ্ম নিৰপেক্ষ লোকাচাৰ | ঃ | ৮ |
| | ২.০৩ কৃষিভিত্তিক উৎসৱ | ঃ | ১৩ |
| | সিদ্ধান্ত | ঃ | ১৪ |
| | উপসংহাৰ | ঃ | ১৫ |
| | প্ৰসংগসূচী | ঃ | ১৬ |
| | গ্ৰন্থপঞ্জী | ঃ | ১৭ |
| | তথ্যদাতাৰ তালিকা | ঃ | ১৮ |


Scanned by CamScanner

# প্ৰস্তাৱনা

**০.০১ বিষয়ৰ পৰিচয় আৰু পৰিসৰ ঃ**

অসম এখন বিভিন্ন জনগোষ্ঠীৰ সমন্বয়স্থলী। ইয়াত বিভিন্ন জনগোষ্ঠী দেখিবলৈ পোৱা যায়। এই জনগোষ্ঠীসমূহৰ ভিতৰৰে ঠেঙ্গাল কছাৰীসকলো এটা অন্যতম জনগোষ্ঠী। ঠেঙ্গাল কছাৰীসকল হৈছে বৃহত্তৰ কছাৰী সম্প্ৰদায়ৰ এটা ফৈদ। এই লোকসকল মূলতঃ মংগোলীয় গোষ্ঠীৰ লোক। এই গোষ্ঠীৰ লোকসকল নিজৰ সুকীয়া পৰম্পৰা, সামাজিক ৰীতি-নীতিৰে সমৃদ্ধিশালী। গৱেষণা পত্ৰখনৰ বিষয় হৈছে 'ঠেঙ্গাল কছাৰীসকলৰ সামাজিক লোকাচাৰ। তেওঁলোকৰ সামাজিক অনুষ্ঠান অপেশ্বৰী সবাহ বা উপসবাহ, আইসবাহ, লখিমী সবাহ, আয়ুসতোলা সবাহ, পানীতোলা সবাহ, মৃতকক দিয়া আদি স্বকীয় নিয়ম-নীতিৰে পালন কৰি আহিছে। এনে বিভিন্ন লোকাচাৰসমূহৰ উপৰিও জন্ম, মৃত্যু, বিবাহ সম্পৰ্কীয় ৰীতি-নীতি, কৃষিভিত্তিক অনুষ্ঠানো ঠেঙ্গাল কছাৰীসকলে নিজস্ব নিয়ম-নীতিৰে পালন কৰা দেখা যায়। লগতে এই সামাজিক লোকাচাৰসমূহৰ লগত জড়িত লোকবিশ্বাসো পৰিলক্ষিত হয়। গৱেষণা পত্ৰখনত তেওঁলোকে পালন কৰা সামাজিক লোকাচাৰসমূহ ধৰ্মীয়, ধৰ্মনিৰপেক্ষ হিচাপে আলোচনা কৰি দেখুওৱা হৈছে।

**০.০২ বিষয়ৰ উদ্দেশ্য ঃ**

পৃথিৱীৰ সমগ্ৰ জনগোষ্ঠীৰে কিছুমান স্বকীয় আচাৰ-আচৰণ, ৰীতি-নীতি থাকে। মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত ঠেঙ্গাল কছাৰীসকলৰ মাজতো স্বকীয় ৰীতি-নীতি বিদ্যমান। 'ঠেঙ্গাল কছাৰীসকলৰ সামাজিক ৰীতি-নীতি' শীৰ্ষক প্ৰকল্পটোৰ বিষয়ৰ গৱেষণাৰ মূল উদ্দেশ্য হৈছে ঠেঙ্গাল কছাৰীসকলৰ সামাজিক ক্ষেত্ৰখনৰ অধ্যয়ন কৰা। এই জনগোষ্ঠীটোৰ মাজত পূৰ্বতে প্ৰচলিত সামাজিক, ধৰ্মীয় কৰ্মসমূহ বৰ্তমানেও ৰক্ষিত হৈ আছে নে নাই তাৰ অনুসন্ধান কৰাও বিষয়টো নিৰ্বাচন কৰাৰ প্ৰধান উদ্দেশ্য।

**০.০৩ বিষয় অধ্যয়ন পদ্ধতি ঃ**

'ঠেঙ্গাল কছাৰীৰসকলৰ সামাজিক ৰীতি-নীতি' শীৰ্ষক বিষয়টোৰ গৱেষণা কাৰ্যত ক্ষেত্ৰভিত্তিক, বৰ্ণাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে। ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰোঁতে ক্ষেত্ৰত (১) পৰ্যবেক্ষণমূলক আৰু (২) প্ৰশ্নসূচক পদ্ধতিৰে বিভিন্ন তথ্য গ্ৰহণৰ ব্যৱস্থা অৱলম্বন কৰা হৈছে।

**০.০৪ অধ্যয়নৰ ক্ষেত্ৰ ঃ**

ঠেঙ্গাল কছাৰীসকল বিশেষকৈ অসমৰ উজনিত বাস কৰি আছে। অসমৰ যোৰহাট, গোলাঘাট, লখিমপুৰ, ধেমাজি, ডিব্ৰুগড় জিলাত ঠেঙ্গাল কছাৰীৰ বসতি দেখা যায়। গৱেষণাৰ বিষয়টো অধ্যয়ন কৰিবলৈ যাওঁতে যোৰহাট জিলাৰ তিতাবৰ অঞ্চলটোক ক্ষেত্ৰ হিচাপে লোৱা হৈছে।

**০.০৫ বিষয়বস্তুৰ পূৰ্বকৃত অধ্যয়ন ঃ**

ঠেঙ্গাল কছাৰী জনগোষ্ঠীটোৰ সামাজিক লোকাচাৰ সম্পৰ্কে বৰ্তমানলৈকে গৱেষণাধৰ্মী অধ্যয়ন বৰ বেছি পোৱা নাযায়। ঠেঙ্গাল জনগোষ্ঠীটোৰ সমাজ সংস্কৃতিমূলক প্ৰৱন্ধ, আলোচনা যথেষ্ট কম। যাৰ বাবে গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে হাতপুথি হিচাপে মুকুট শৰ্মাৰ "ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি" আৰু জনগোষ্ঠীটোৰ বিষয়ে অৱগত হ'ব পৰা উৎস সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ দ্বাৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ 'ঠেঙ্গাল দৰ্পন' (২০০২, ২০০৭, ২০০৯)ক লোৱা হৈছে।

Scanned by CamScanner

ঠেঙ্গাল কছাৰীৰ ইতিহাস সম্পৰ্কে যোগেশ্বৰ বড়াৰ "চীনৰ পৰা দৈয়াঙলৈঃ ঠেঙ্গাল কছাৰীৰ উৎপত্তি আৰু তেওঁলোকৰ আৰ্থ-সামাজিক অৱস্থা" শীৰ্ষক প্ৰবন্ধটি এটা উল্লেখযোগ্য প্ৰবন্ধ। প্ৰবন্ধটোত ঠেঙ্গাল কছাৰীৰ উৎপত্তি, সমাজ ব্যৱস্থা, উৎসৱ-পাৰ্বন, বিবাহ, অৰ্থনৈতিক অৱস্থা ইত্যাদিৰ বিষয়ে সম্যক এটি ধাৰণা লাভ কৰিব পাৰি। প্ৰৱন্ধটোত ঠেঙ্গাল কছাৰীসকলক 'ঠেঙ্গাল' বুলি কোৱাৰ কাৰণ ব্যাখ্যা কৰি দেখুৱাইছে। এই লোকসকলৰ কৰ্ম বা দায়িত্বক বুজোৱা একৈশটা ভাগৰ উল্লেখ কৰিছে। উৎসৱ-পাৰ্বন, পূজা-পাতলৰ নিয়ম-নীতি, বিবাহৰ সাধাৰণ সামাজিক ৰীতি-নীতিসমূহৰ বিষয়ে প্ৰৱন্ধটোত আলোচিত হৈছে।

'সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন'ৰ পৰা ২০০৯ চনত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'ঠেঙ্গাল দৰ্পণ'ত ঠেঙ্গাল কছাৰীসকলৰ চমু এক পৰিচয় পোৱা যায়। ঠেঙ্গাল কছাৰীসকলৰ জাতীয় সংস্কৃতি, যেনে- সদাশিৱ পূজা, লখিমী আদৰি অনা, লখিমী সবাহ আদিৰ বিষয়েও স্মৃতিগ্ৰন্থখনত চমু পৰিচয় দাঙি ধৰিছে। ইয়াত বিবাহ পদ্ধতিৰ বৰবিয়া বা হোম পোৰা বিয়া আৰু জোৰণ পিন্ধাই অনা বা আবিয়ৈ বিয়াৰ নিয়ম সম্পৰ্কেও পৰিচয় তুলি ধৰিছে।

সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন'ৰ ২০০৭ চনৰ স্মৃতিগ্ৰন্থ 'ঠেঙ্গাল দৰ্পণ'তো ঠেঙ্গাল কছাৰীৰ সমাজ-সংস্কৃতিৰ পৰিচয় পোৱা যায়। ২০০৭ চনৰ এই স্মৃতিগ্ৰন্থখনত হুঁচৰি খেলীয়া সবাহ, আয়ুস তোলা সবাহ, অপেশ্বৰী সবাহ, পানীতোলা সবাহৰ বিষয়ে আলোচনা কৰিছে।

মুকুট শৰ্মাৰ 'ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি' গ্ৰন্থতো ঠেঙ্গাল কছাৰীৰ ইতিহাস, উৎপত্তি, সমাজ-সংস্কৃতিৰ বিস্তৃত বিৱৰণ পোৱা যায়। গ্ৰন্থখনত এই জনগোষ্ঠীটোৰ ধৰ্মীয় বিশ্বাসসমূহ, বিবাহ, বিবাহৰ ভাগ, মৃত্যুৰ লগত জড়িত পৰম্পৰা, জন্ম সম্পৰ্কীয় জনবিশ্বাস আদি আলোকপাত কৰিছে।

ঠেঙ্গাল কছাৰী জনগোষ্ঠী সম্পৰ্কে বৰ্তমান সময়ত কেইখনমান গৱেষণা গ্ৰন্থও প্ৰস্তুত হোৱা পৰিলক্ষিত হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি গৱেষণা বিভাগৰ পৰা গৱেষক কৈলাশ দত্ত "Ethnicity and Folklora: A Study Among the Thengal Kacharis of Assam" গ্ৰন্থ প্ৰকাশ পায়। গ্ৰন্থখনিত কছাৰী জনগোষ্ঠীৰ মূল, জনসংখ্যা, সামাজিক জীৱন, সংস্কৃতি, ভাষা-সাহিত্যৰ বিশ্লেষণ পোৱা যায়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা বৰ্ণালী শইকীয়াই প্ৰস্তুত কৰা গৱেষণা গ্ৰন্থ "অসমৰ ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সমাজ-সংস্কৃতিত নাৰীৰ ভূমিকাঃ পৰম্পৰা আৰু পৰিবৰ্তন"ত ঠেঙ্গাল জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক জীৱনত নাৰীৰ অৱদান, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰত নাৰীৰ ভূমিকা, লোকপৰিৱেশ্য কলা, মৌখিক সাহিত্য বা বাচিক কলা আদি সম্পৰ্কে বিশ্লেষণাত্মক আলোচনা পোৱা যায়।

Scanned by CamScanner

# ১.০০ প্ৰথম অধ্যায়


**ঠেঙ্গাল কছাৰীৰ ইতিহাস আৰু পৰিচয় ঃ**

মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত এটা ঠাল হৈছে ঠেঙ্গাল কছাৰীসকল। মংগোলীয় লোকসকল চীন-তিব্বত ভাষা গোষ্ঠীৰ। চীন-তিব্বত ভাষা গোষ্ঠীৰ মংগোলীয় লোকসকল খৃঃপূঃ ২০০০ চনৰ পৰা দলবদ্ধভাৱে অসম আৰু নেপাললৈ প্ৰব্ৰজন ঘটে। এই মংগোলীয় লোকসকলক কিৰাত হিচাপেও জনা যায়। কিৰাতসকল নদী, পাহাৰ, পৰ্বতৰ দাঁতি কাষৰীয়া ঠাইত বসবাস কৰিছিল। সেইবাবে সংস্কৃতৰ কক্ষৱাটৰ পৰা কক্ষত > কচ্ছত > কচ্ছৰ লগত ‘অৰি’ যোগ হৈ কচ্ছ + অৰি> কছাৰী নামৰ উৎপত্তি হোৱা বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰে।[১]

মংগোলীয় গোষ্ঠীৰ কিৰাতসকল প্ৰব্ৰজিত হৈ আহি অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰিছিলহি। ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰা এই লোকসকলে নিজকে বড়ো বা বড়ো ফিছা বুলিহে পৰিচয় দিছিল। এই লোকসকলক কিৰাত, ম্লেছ, কাছাৰী নামেৰে জনা যায় যদিও ‘কছাৰী’ নামটোতে সাধাৰণভাৱে প্ৰচলিত হৈ আহিছে।

মংগোলীয় গোষ্ঠীৰ লোকসকলে বিভিন্ন কাৰণত প্ৰব্ৰজিত হৈছিল। তাৰে দুটা প্ৰধান দলে একে সময়তে দুটা বেলেগ দিশৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰিছিল। ৰেভাৰেণ্ড ছিদনী এণ্ডলে কৈছে যে, এই দুটা দলৰ এটাই উত্তৰ দিশৰ পৰা আহি উত্তৰ-পূব বঙ্গ আৰু পশ্চিম অসমৰ ব্ৰহ্মপুত্ৰৰ উপত্যকাত প্ৰৱেশ কৰি কামৰূপ ৰাজ্য প্ৰতিষ্ঠা কৰে। আনটো দলে উত্তৰ-পূব দিশেৰে সোৱণশিৰি, দিহাং আৰু দিবাং উপত্যকাইদি আহি পূব অসমত বসতি কৰেহি।[২]

অসমৰ গৱেষক, পণ্ডিত, নৃতত্ত্ববিদ ড° ভুৱনমোহন দাসে প্ৰব্ৰজন অনুসৰি বড়োসকলক দুটা ভাগত বিভক্ত কৰিছে। সেই ভাগ দুটাক বিভাজন কৰি দেখুৱাব পাৰি এইদৰে–




বড়োসকলৰ উপৰোক্ত বিভাজনৰ ফালৰ পৰা ঠেঙ্গাল কছাৰীসকলক বৃহত্তৰ বড়ো জনগোষ্ঠীৰ অন্তৰ্গত মঙ্গোলীয় লোক বুলি ক’ব পাৰি।



Scanned by CamScanner

সূৰ্য কুমাৰ ভূঞাৰ সম্পাদিত দেওধাই অসম বুৰঞ্জী আৰু কছাৰী বুৰঞ্জীত উল্লেখ থকা মতে পূবলৈ অহা কছাৰী ফৈদটোৱে শদিয়াল কছাৰী আৰু হেড়ম্বিয়াল কছাৰী নাম লৈ উজনি অসমত দুখন ৰাজ্য প্ৰতিষ্ঠা কৰে। শদিয়ালৰ প্ৰথম ৰজা আছিল মাণিক। মাণিকৰ ৰাজ্যৰ সীমা পূবে শদিয়া, পশ্চিমে দিখৌমুখ, উত্তৰে দিহিঙৰ দক্ষিণ পাৰ আৰু দক্ষিণে কেন্দুগুৰি পৰ্যন্ত বিস্তৃত আছিল।[৩] প্ৰসিদ্ধ বুৰঞ্জীবিদ ড° লীলা গগৈৰ অনুমান মতে মাণিকৰ শাসনকাল একাদশ বা দ্বাদশ শতিকা। কছাৰীসকলৰ আন এটা ফৈদ হেড়ম্বিয়ালসকলে হেড়ম্ব ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। হেড়ম্ব ৰাজ্যৰ অন্যতম ৰজা বিচাৰপতিফাৰ পুত্ৰ বিক্ৰমাদিত্যফাই ৰাজ্য বিস্তাৰ কৰি সোণাপুৰ (সোণাৰি) আৰু বাণপুৰ নগৰ স্থাপন কৰিছিল। বিক্ৰমাদিত্যফাই ভায়েক মহামানিফাক ৰাজ্য চলাবলৈ দি বিক্ৰমাদিত্যফাই ডিমাপুৰত ৰাজ্য শাসন কৰে। বিক্ৰমাদিত্যফাৰ মৃত্যুৰ পিছত মহামানিফা ডিমাপুৰৰ ৰজা হয়গৈ আৰু মাণিক্যই সোণাপুৰত শাসন চলায়। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাত হেড়ম্বিয়াল ফৈদৰ ৰাজ্য ডিমেংৰ পৰা কলংলৈকে বিস্তৃত আছিল। ধনশিৰি উপত্যকা আৰু কাছাৰৰো এটা অংশ এই ফৈদৰ দখলত আছিল। উজনি অসমৰ কছাৰীসকলৰ ভিতৰত ধনশিৰি উপত্যকাৰ কছাৰী ফৈদটোৱেই আটাইতকৈ বিচক্ষণ, শক্তিশালী আৰু সাহসী যোদ্ধা আছিল। ১২২৮ খ্ৰী.ত আহোমে কছাৰী ৰাজ্য আক্ৰমণ কৰা সময়ত এই ফৈদৰ কছাৰীসকলে বিনাযুদ্ধই সহজতে আহোমক ৰাজ্য এৰি দিয়া নাছিল। আহোম ৰজা চুহুংমুং দিহিঙ্গীয়াৰ দিনত কছাৰী ৰাজ্যৰ বিপৰ্যয় আৰম্ভ হয়। ১৫২৬ খ্ৰী.ত চুহুংমুং আৰু কছাৰীৰ খুন্‌খৰা ৰজাৰ মাজত হোৱা যুদ্ধত কছাৰীৰ জয় হৈছিল যদিও ১৫৩১ খ্ৰী.ত কছাৰী ৰজাই পৰাজয় স্বীকাৰ কৰে।[৪]

১৫২৬ খ্ৰীষ্টাব্দত আহোম আৰু কছাৰীৰ যুদ্ধত কছাৰী ৰজা জয়ী হোৱাৰ পাছত জং বাহাদুৰ আৰু চক্ৰধ্বজ দৈয়াং নৈৰ পাৰৰ কছাৰী পথাৰ অৰ্থাৎ কাছমাৰী পথাৰত ৰাজধানী পাতি ৰাজ্য প্ৰতিষ্ঠা কৰে। জং বাহাদুৰ সেই ৰাজ্যৰ ৰজা হয়। কাছমাৰীৰ সৈন্য-সামন্তবিলাকে 'ঠেঙ্গা' (Pantaloon) পিন্ধি যুদ্ধ কৰিছিল। যুদ্ধৰ বাদেও তেওঁলোকে 'ঠেঙ্গা' পিন্ধি ফুৰিছিল 'ঠেঙ্গাল কছাৰী' বুলি কৈছিল।[৫] সেই তেতিয়াৰে পৰা হেড়ম্বিয়াল কছাৰীসকলৰ ফৈদটোক 'ঠেঙ্গাল কছাৰী' নামেৰে পৰিচিত। অসম বুৰঞ্জী আৰু অন্যান্য উৎসসমূহতো এই কথাৰ উল্লেখ পোৱা যায়। মুকুট শৰ্মাৰ 'ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি' গ্ৰন্থত উল্লেখ থকা মতেও নন্দ বৰাৰ 'ঠেঙ্গাল কছাৰীৰ ইতিবৃত্ত' নামৰ গ্ৰন্থতো 'ঠেঙ্গা' পিন্ধা সকলেই 'ঠেঙ্গাল কছাৰী' সম্প্ৰদায়ৰ বুলি বৰ্ণনা আছে। এনে বিভিন্ন উদাহৰণৰ পৰা চালে 'ঠেঙ্গা'ৰ পৰাই 'ঠেঙ্গাল' শব্দটোৰ উৎপত্তি হোৱা বুলি ঠাৱৰ কৰিব পাৰি।

কৰ্ম বা দায়িত্ব অনুযায়ী ঠেঙ্গালসকলক ২১ টা ভাগত বিভাজন কৰা হৈছিল। সেই ভাগসমূহ হৈছে–

(১) হাজোৱাল – কৃষি-কৰ্মত নিয়োজিত লোক।
(২) মানিকিয়াল – মাণিক বুটলা লোক।
(৩) মুক্তাল বা মুকুতিয়াল – মুকুতা সংগ্ৰহ কৰা লোকক বুজায়।
(৪) ডুৰুঙ্গিয়াল – নাও সাঁজোতা আৰু চলোৱা লোক।
(৫) দলঙ্গিয়াল – দলং সজা লোকক বুজায়।
(৬) সাঁকোৰিয়াল – সাঁকো সজা লোক।
(৭) হয়গিয়াল – ঘোঁৰাৰ প্ৰতি-পালন আৰু চলোৱা লোকক বুজায়।



Scanned by CamScanner

(৮) শুকৰিয়াল – গাহৰি পোহা লোক।

(৯) সুগৰীয়াল – সুগৰী পোহা লোকসকলক বুজায়।

(১০) ব্যাঘ্রাল – বাঘ পোহা লোক।

(১১) কুমৰাল – মাটিৰ পাত্র গঁঢ়োতা।

(১২) কমাৰিয়াল – লোৰ কাম কৰা লোক।

(১৩) ডেক্রাল – ঢেঁকী বনাওঁতা আৰু ধান বানোতা।

(১৪) নাঙ্গাল – নাঙল বনোৱাসকলক বুজায়।

(১৫) লাঠিয়াল – বাঁহ-কাঠৰ কাম কৰাসকলক বুজায়।

(১৬) মেখেলিয়াল – মেখেলাকে আদি কৰি অন্যান্য বস্ত্র তৈয়াৰ কৰোঁতা।

(১৭) নেগুৰিয়াল – ৰছী আদি তৈয়াৰ কৰা লোক।

(১৮) ডিঙ্গিয়াল – ডিঙি মুচৰি জীৱ-জন্তু বধ কৰি পূজা কৰা লোক।

(১৯) ঢুলিয়াল – ঢোল আজি সাজোতা আৰু বজাওঁতা।

(২০) ফৰমাল – আহু খেতি কৰা লোক।

(২১) এজ্‌মাল – ৰজাৰ ঘৰত কাম কৰা আৰু ৰাজ্য ভঁৰাললৈ সামগ্রী নিয়াসকলক বুজায়।

যি যিটো কৰ্মত পাৰ্গত আছিল, তেওঁক সেইটোৰ দলতে অন্তৰ্গত কৰি কামৰ দায়িত্ব দিছিল। এনে শ্রেণী বিভাজন কৰি ঠেঙ্গালসকলে শৃংখলাবদ্ধতাৰ পৰিচয় দিছিল। পৰৱৰ্তী সময়ত এই বিভাজনৰ নাম অনুযায়ীয়েই একো একোটা বংশ বুলি ধৰা হৈছিল। বৰ্তমান সময়তো এনে বংশৰ লোকে ঠেঙ্গাল সমাজত বাস কৰি আছে।

ঠেঙ্গাল কছাৰীৰ সমাজ পুৰুষপ্রধান সমাজ। প্রাচীন কালত ঠেঙ্গালসকলৰ সমাজ 'কৈৰাতজ' ধৰ্মীয় গাঁঠনিৰে পৰিচালিত আছিল। বাসুদেৱ গোঁসাইৰ দিনৰ পৰা তেওঁলোক বৈষ্ণৱ ধৰ্মৰ ভক্ত আৰু প্রাণহৰি গোসাঁইৰ দিনৰ পৰা আউনীআটী সত্রৰ শিষ্য হয়। সেইফালৰ পৰা তেওঁলোক ব্রহ্ম সংহতিৰ লোক, তেওঁলোকে বৈদিক আচাৰ-ৰীতি পালন কৰে। সত্রৰ পদ্ধতি অনুসৰি ঠেঙ্গাল কছাৰীৰ সমাজত এটা বৃহৎ এলেকাৰ ভিতৰত বৰমেধি, কুৰিয়ামেধি, চুকমেধি, বৰ টেকেলা, টেকেলা আদি বিষয়া আৰু একোখন গাঁৱত বা একোটা খেলত একোটা নামঘৰ, মেধি, নামঘৰীয়া, ভঁড়ালী, পাঠেক, বৰৰান্ধনি, বায়ন, দেউৰী, ঢুলীয়া-ওজা আদি বিষয়বাবৰ লোক আছে আৰু সত্রৰ সত্রাধিকাৰে ৰাজমেধি, পাঁচনি আৰু বৰমেধিৰ যোগেদি ঠেঙ্গাল কছাৰীৰ সমাজৰ লগত যোগসূত্র ৰাখি সমাজখনৰ ধৰ্ম-ৰীতি পৰিচালনা কৰি থকা দেখা যায়।[৮] বহুতো ঠেঙ্গাল কছাৰীয়ে আউনীআটী সত্রৰ শিষ্যত্ব ত্যাগ কৰি পিছত সৃষ্টি হোৱা বৈষ্ণৱ ধৰ্মৰ আন আন প্রশাখাত ভৰ্তি হৈ জীৱন নিৰ্বাহ কৰি আহে।

ঠেঙ্গাল কছাৰীসকলৰ আৰ্থিক অৱস্থা স্বচ্ছল নহয়। তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা একেবাৰে নিম্ন স্তৰৰ। এই লোকসকলৰ অধিকাংশই কৃষিৰ ওপৰত নিৰ্ভৰশীল। হাবি ভাঙি মাটি উলিয়াই ধান খেতি কৰাৰ লগতে শাক-পাচলি, আলু-কচু, মাটি-মাহ, কুঁহিয়াৰ খেতিও কৰে। এৰী মুগা, পাট পলু আদি পোহে আৰু এইবিলাকৰ পৰা সূতা কাটি কাপোৰ বৈ নিজেও লয় আৰু বিক্রী কৰি নিজৰ জীৱিকা উলিয়ায়। ইয়াৰ উপৰিও বাঁহ-বেতৰ খৰাহী, পাচি আৰু অন্যান্য ঘৰুৱা সামগ্রী তৈয়াৰ কৰি,



Scanned by CamScanner

গৰু, ম'হ, ছাগলী, হাঁহ-কুকুৰা, পাৰ পুহি বিক্ৰী কৰিও তেওঁলোকে জীৱিকা উলিয়াই।

ঠেঙ্গাল কছাৰীসকলৰ এটা বিশেষ বৈশিষ্ট্য হ'ল সামূহিক জীৱন পদ্ধতি। কছাৰীসকলে একোখন গাঁৱত দল বান্ধি বাস কৰে। খেতি-বাতি, ঘৰ সজা, মাছমৰা, উৎসৱ-পাৰ্বণ, বিপদ-আপদ, ৰং-আনন্দ সকলোতে একগোট হৈ থিয় দিয়ে। ঠেঙ্গাল কছাৰীৰ মাজত 'হাৰিয়া মতা' প্ৰথা বৰ্তমানেও প্ৰচলিত। বিয়া-সবাহত ৰভা দিয়া, ধান চপোৱা আদি কাৰ্যত দল বান্ধি ওলাই যায়।

ঠেঙ্গাল কছাৰীসকলে তেওঁলোকৰ নিজা সামাজিক উৎসৱ, পূজা-পাতলসমূহ যথা নিয়মে পালন কৰাৰ দৰে অসমৰ জাতীয় উৎসৱ বিহুকো পৰম্পৰাগতভাৱে পালন কৰি আহিছে। ঠেঙ্গাল গাভৰুসকলে চ'ত মাহ সোমোৱাৰ দিনৰ পৰাই ৰাতি বিহু মাৰিছিল। তেওঁলোকে বৰ গছৰ তলত বিহুৰ খোলাবোৰ পাতিছিল। ৰাতি বিহু চ'তৰ সংক্ৰান্তিলৈকে মাৰিছিল। ঠেঙ্গাল কছাৰীসকলৰ মাজত 'তৰাছিৰা বিহু' বা 'বালি-হুঁচৰি' প্ৰচলিত অসমীয়া সংস্কৃতিৰ পৰম্পৰাগত প্ৰথা অনুসৰি পালন কৰি আহিছে আৰু কাতি বিহু, মাঘ বিহু যথা ৰীতি মতে পালন কৰি আহিছে।

এইসমূহৰ উপৰিও ঠেঙ্গালসকলে দুৰ্গা পূজা, নিৰ্দিষ্ট ঠাইত বাইথ' পূজা বা দেও পূজা, নদীত চুৰা উটুওৱা পূজা, চাপৰিত গৰখীয়া ভোজ, নৈৰ ওচৰত চাউলখোৱা আদি পূজা-পাতল কৰে। ঘৰুৱা অপায়-অমঙ্গল দূৰ কৰিবলৈ মৃতকক দিয়া, গুৰু পৰ্মাণ খুওৱা, আই চাউল খোৱা, অপেশ্বৰী সবাহ, গোপিনী সবাহ, লখিমী সবাহ, আয়ুস তোলা সবাহ আদি পালন কৰে।

ঠেঙ্গাল কছাৰীসকল অসমৰ এটা সুপ্ৰাচীন খিলঞ্জীয়া জনগোষ্ঠী। স্বকীয় ৰীতি-নীতি, ধৰ্মীয় পৰম্পৰা, সামাজিক লোকাচাৰ আৰু আধুনিক ধ্যান-ধাৰণাৰে এটা পযথক জনগোষ্ঠী হ'লেও ঠেঙ্গাল কছাৰীসকলে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।



Scanned by CamScanner

# ২.০০ দ্বিতীয় অধ্যায়

**ঠেঙ্গাল কছাৰীসকলৰ সামাজিক ৰীতি-নীতি ঃ**

মানুহ সামাজিক প্ৰাণী। মানুহে বিভিন্ন নীতি-নিয়মৰ মাজেৰে একো একোখন সমাজ পাতি বাস কৰে । একোখন সমাজত ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ বিভিন্ন নিয়ম-নীতি, জন্ম-মৃত্যু-বিবাহ, কৃষি সম্পৰ্কীয় ভিন্ন ভিন্ন সামাজিক লোকাচাৰ দেখিবলৈ পোৱা যায়। এই সামাজিক নিয়মসমূহ জনগোষ্ঠীভেদে বেলেগ বেলেগ। অসমৰ জনগোষ্ঠীসমূহৰ ভিতৰৰ অন্যতম ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ মাজতো এনে সামাজিক কৰ্ম দেখিবলৈ পোৱা যায়। এই জনগোষ্ঠীটোৰ সামাজিক ৰীতি-নীতিসমূহৰ বিষয়ে তলত দাঙি ধৰা হ'ল।

**২.০১ সামাজিক লোকাচাৰ ঃ**

ঠেঙ্গাল কছাৰীসকলে সামাজিক কৰ্মসমূহ শৈৱ, বৈষ্ণৱ আদৰ্শৰে পালন কৰি আহিছে। অপেশ্বৰী সবাহ বা উপসবাহ, পানীতোলা সবাহ, আয়সতোলা সবাহ, আইসবাহ, পিঠখোৱা সকাম, ভিতৰ সকাম আদি ঠেঙ্গাল কছাৰীসকলে ধৰ্মীয় লোকাচাৰসমূহ পালন কৰে। এইসমূহ পতাৰ নিয়মৰ বিষয়ে চমু আভাস দিয়া হ'ল।

**.১.১ অপেশ্বৰী সবাহ বা উপসবাহ ঃ**

ঠেঙ্গাল কছাৰীসকলৰ এটা অন্যতম লোকাচাৰ হৈছে অপেশ্বৰী সবাহ বা উপসবাহ। কাৰোবাৰ বহুদিনলৈ বেমাৰ-আজাৰ ভাল নহ'লে অপেশ্বৰীৰ দোষ লাগে বুলি মানুহে বিশ্বাস কৰে। তেতিয়াই এই অপেশ্বৰী সবাহ বা উপসবাহ পতা হয়। অপেশ্বৰীসকলে বগা কাপোৰ পিন্ধে বুলি অতীজৰে পৰা বিশ্বাস প্ৰচলিত হৈ আহিছে। সেইবাবে উপসবাহ পতা ঠাইডোখৰ বগা কাপোৰেৰে আঁৰ দি লোৱা হয়। তাৰ পিছত পিঠাগুড়িৰে মৰল সাজি লয়। এই সবাহ পতাৰ আগতেই জাতি আৰু মনোহৰ যিকোনো এথোক কল মেলোতেই পানী ছটিয়াই আগ কৰি থয়। মৰল সজাৰ পিছত তিনিভাৰ ধূপ-ধূনা, গুৱা-পাণ, আৰৈ চাউল অৰিহণাসহ সজাই লোৱা হয়। তাৰ পাছত মৰলটো সাত ভাগ কৰি কেঁচা পিঠাগুড়ি, গাখীৰ, চেনি, আৰৈ চাউল, এক আখিকৈ জাতি কল আৰু থুৰীয়া তামোল প্ৰতি ভাগ মৰলতে সজাই গোপিনীসকলে অপেশ্বৰী নাম গায়।

অঞ্চলভেদে সবাহৰ বাবে বা পাঁচগৰাকী কুমাৰী ছোৱালী আৰু তিনি-পাঁচগৰাকী বিধৱা মহিলা প্ৰয়োজনীয়। ঠাই বিশেষে অপেশ্বৰীৰ দোষত বা অপেশ্বৰীৰ ছাঁ গচকা বাবে হোৱা ৰোগ উপশম হ'বলৈ চোতালত ৰোগীজনক মাজত লৈ আসনত বহি সবাহ পাতে।[৭]

**.১.২ পানীতোলা সবাহ ঃ**

ঠেঙ্গাল কছাৰীসকলে পানীতোলা সবাহ সমূহীয়াকৈ নামঘৰত তিনিদিনীয়াকৈ পালন কৰি। এই সবাহ ব'হাগ আৰু জেঠ মাহৰ ভিতৰত আয়োজন কৰা হয়। পানীতোলা সবাহৰ বাবে তিনিগৰাকী এৰাঁ ছোৱালীৰ প্ৰয়োজন। সবাহত এৰাঁ ছোৱালী কেইগৰাকী নৈৰ ঘাট বা পুখুৰীৰ পৰা পাঁচবাৰৰ পৰা সাতবাৰলৈ পানী তোলা হয়। পানীতোলা সবাহত এগৰাকী মূল আই থাকে। সেই আইগৰাকীৰ হাতত কলপাতত চাকি, তামোল-পাণ, চাৰিডাল বাঁহৰ খৰিকা আৰু এডাল এৰাঁ সূতা দিয়া হয়। যিমানবাৰ পানী তোলা হয় সিমানবাৰেই মূল আইগৰাকীয়ে চাকি, তামোল-পাণ, বাঁহৰ খৰিকা, এৰাঁ



Scanned by CamScanner

সূতা কলপাত সলনি কৰে। সবাহৰ কেইদিন এৰাঁ ছোৱালীকেইজনীক যথেষ্ট নিয়মৰ মাজেৰে ৰখা হয়। প্ৰথম দিনা নামঘৰত নাম-কীৰ্তন কৰা হয়। গোপিনীসকলে ছোৱালী কেইগৰাকীক সেৱা কৰোৱাই পানী তুলিবলৈ যাত্ৰা কৰে। পানী তুলিবলৈ যাওঁতে দবা-কাঁহ বজাই, আইসকলে উৰুলি দিয়ে। খোল-তাল আদি বজাই ৰাইজে হৰধ্বনি দি যায়। মন কৰিবলগীয়া যে, এটা ঘাটৰ পৰা এবাৰহে পানী তোলা হয়। পানী তোলোতে ঘাটটোত পানী ছটিয়াই শুদ্ধ কৰি লগত নিয়া বাঁহৰ কাঠিকেইডাল বৰ্গাকাৰে পুতি এৰাঁ সূতাৰে তিনি পেচ দি বান্ধি বন্তি জ্বলাই সূতা কেইডালৰ মাজেদি অৰিহণাসহ জল দেৱতালৈ আগবঢ়াই সেৱা কৰে। কাঁচিৰে কাটি অনা পানীখিনিয়ে নামঘৰৰ প্ৰৱেশদ্বাৰৰ খুটাত দি নামঘৰৰ চাৰিওফালে তিনিপাক ঘূৰে। তাৰ পাছত নামঘৰটোৰ চুককেইটাত পানী ঢালি ঘটবোৰ মণিকূটত থয়। যিকেইজনী ছোৱালীয়ে পানী তুলি আনে, সেই কেইগৰাকীক ডৰিকী ছোৱালী কোৱা হয়। তিনিও দিন ডৰিকী ছোৱালীকেইজনীক নামঘৰতে ৰখা হয়। এই ছোৱালীকেইজনীক অপেশ্বৰীৰ দৰে সন্মান দিয়া হয়। মন কৰিবলগীয়া যে, ঘাটৰ পৰা পানী তুলি আনোতে ডৰিকী ছোৱালী কেইগৰাকীয়ে মুখতো এচলু পানী হৈ আহে। মুখত অনা পানীখিনি ঘটত অনা পানীৰে নামঘৰত প্ৰৱেশদ্বাৰৰ খুটা বা টিপত দিহে পেলায়। সবাহৰ শেষত মাহ-প্ৰসাদ বিতৰণ কৰে। সামৰণিত মাহ-প্ৰসাদ নৈৱেদ্য আদি কলৰ ভুৰ সাজি নদীত উটুৱাই দিয়া হয়। পানীতোলা সবাহৰ অন্তত এৰাঁ ছোৱালীকেইগৰাকীক শান্তিমণি পানী আৰু নিৰ্মালী প্ৰদান কৰা হয়। গোপিনী আৰু ভকত নামঘৰত লগ হৈ মাহ-প্ৰসাদ, মিঠৈ আদিৰে গোপিনীৰ বাবে নখন, মহাচৰৰ বাবে এখন আৰু টেকেলাৰ বাবে তিনিখন পাত আগ কৰে। ইয়াতো মৰল পাতি লোৱা হয়। তাৰ পিছত ডৰিকীকেইগৰাকীক উপবাসৰ পৰা মুকলি কৰা হয়।

**.২.১ পানীতোলা সবাহৰ লগত জড়িত লোকবিশ্বাস ঃ**

ঠেঙ্গাল কছাৰীসকলৰ পানীতোলা সবাহৰ কিছুমান বিশেষ লোকবিশ্বাস নিহিত হৈ আছে। তেওঁলোকে জলদেৱতাক সন্তুষ্ট কৰিবৰ বাবে পানীতোলা সবাহৰ আয়োজন কৰে। পানীতোলা সবাহৰ এৰাঁ ছোৱালী বা ডৰিকী ছোৱালী তিনিজনীক তিনি বছৰৰ বাবে নিৰ্বাচন কৰা হয়। এই সবাহৰ বাবে যিটো টিপ নিৰ্দিষ্টকৈ ৰখা হয়, সেই টিপটোক অগ্ৰাহ্য কৰিলে বেমাৰ-আজাৰ বা অমংগল হয় বুলি বিশ্বাস প্ৰচলিত আছে। পানীতোলা সবাহ পতাৰ ফলত বছৰটোৰ বাবে অপায়-অমংগল দূৰ হয় বুলি ঠেঙ্গাল কছাৰীসকলৰ মাজত বিশ্বাস কৰা হয়।

**.১.৩ আয়ুসতোলা সবাহ ঃ**

আয়ুসতোলা সবাহ ঠেঙ্গাল কছাৰীসকলৰ এটা অন্যতম লোকাচাৰ। কোনো ল'ৰা-ছোৱালী পানীত পৰিলে, দেৱতাৰ ৰোষত পৰা বুলি ভবা হয়। তেতিয়াই শিশুটো যি ঠাইত পৰে, সেই ঠাইৰ পৰাই আয়ুস তোলা হয়। মাতৃয়ে শিশু সপোনত পানীত পৰা দেখিলে আয়ুস তোলে। এই সবাহ পাতিবৰ বাবে তিনি বা পাঁচগৰাকী গোপিনী নিমন্ত্ৰণ কৰি অনা হয়। কিছুমান ঠাইত কেৱল বিধৱা মহিলাকহে এই কামৰ বাবে নিয়োজিত কৰে। এই আয়ুসতোলা সবাহৰ বাবে জাকৈ-খালৈ, হাঁহকণী এটা, আগলতি কলপাত, থুৰীয়া তামোল, এৰাঁসূতা এনেচাৰ দৰকাৰ। পানীত পৰা শিশুটোক চোতালৰ এমূৰত বা দুৱাৰমুখত বহুৱাই লৈ গোপিনী কেইগৰাকীয়ে শিশুটোৰ ওচৰৰ পৰা উঘাৰ সহায়ত পানী তোলা ঠাইলৈকে টানি নিয়ে। পানীত পৰা শিশুটোৰ মাকে জাকৈ-খালৈ লৈ আয়ুস তুলিবলৈ যায়।



Scanned by CamScanner

যাওঁতে খালৈটোত হাঁহকণী এটা ভৰাই লৈ যায়। আয়ুস তোলা ঠাইডোখৰত খুটি চাৰিটা পুতি অৰিহণাসহ তামোল-পাণ এযোৰ আগলি কলপাতত জলদেৱতালৈ আগবঢ়াই লয়। তাৰ পিছত হাঁহকণীটো পুখুৰীৰ দাঁতিত পেলাই একে চাবতে জাকৈয়ে তুলি আনে। এনেদৰে এচাব এচাবলৈ নিৰ্দিষ্ট স্থানত তিনি চাব জাকৈ মাৰে। জাকৈ বাওঁতে এগৰাকী গোপিনীয়ে মাকক প্ৰশ্ন কৰে- কি কৰিছা? মাকে শিশুটোৰ নাম লৈ- আমুকাৰ আয়ুস তুলিছো বুলি উত্তৰ দিয়ে। জাকৈত যি উঠে তাকে আটাইবোৰ খালৈত ভৰাই লৈ আহে। আহোঁতে মাকক সুধি আহে- ক'ৰ পৰা আহিছা? মাকে শিশুটোৰ নাম লৈ উত্তৰ দিয়ে- আমুকাৰ আয়ুস তুলি আনিছোঁ। আয়ুস তোলা ঠাইৰ পৰা আহোঁতে ঘটত পানী তুলি অনা হয় আৰু সেই পানীৰে শিশুটোক গা-ধুৱাই দিয়ে। তাৰ পিছত জাকৈত উঠি অহা মাছ-কেঁকোৰা, হাঁহকণীৰে সৈতে ৰান্ধি শিশুটোক আগলতি কলপাতত খাবলৈ দিয়ে আৰু লগতে থুৰীয়া তামোল এখনো দিয়া হয়। ভাত খাওঁতে আয়তীসকলে শিশুটোৰ হেৰুৱা আয়ুস পুনৰ ঘূৰাই পাবৰ বাবে আশীৰ্বাদ দি এই সবাহ ইমানতে সমাপ্ত কৰে।

**.১.৪ আই সবাহ ঃ**

আইসবাহ বসন্ত ৰোগৰ লগত জড়িত এটি লোকাচাৰ। কাৰোবাৰ বসন্তই দেখা দিলে গোপিনীসকলে আইসবাহ আয়োজন কৰে। জনবিশ্বাস মতে, বসন্ত ৰোগৰ গৰাকীনি অতি জেদী আৰু সাধাৰণ কথাতে অতি সোনকালে ৰুষ্ট হয়। বসন্ত ৰোগৰ আইক সন্তুষ্ট কৰিবলৈকে পাঁচ বা সাতগৰাকী গোপিনী মাতি আনি আইসবাহ পতা হয়। আইক সন্তুষ্ট কৰিবলৈ আইনাম গাই আৰু আইৰ চৰণত প্ৰসাদ, আখৈ, পিঠাগুড়ি আদি আগবঢ়োৱা হয়। তামোল-পাণ, চাকি-বন্তি জ্বলাই গোপিনীসকলে বগা কাপোৰ পিন্ধি আইক তুতি কৰে। আইসবাহত নৈৱেদ্যত বগা ফুল দিয়া হয়। বসন্তই দেখা দিয়া গৰাকীকো বগা কাপোৰেই পিন্ধিবলৈ দিয়া হয়। আই ওলালে হুলস্থূলীয়া পৰিৱেশ বা চিঞৰি কথা কোৱা ঘৰত বেয়া বুলি ভাবে। আই ওলোৱা কেইদিন ঘৰত ভজা-পুৰা বস্তু খোৱা নহয়। 'বৰ আই' দেখা দিলে আসন পাতিও আই সবাহ পতা হয়।

**.৪.১ আইসবাহ সম্বন্ধীয় লোকবিশ্বাস ঃ**

ঠেঙ্গালসকলে বিশ্বাস কৰে যে, আইক বিশ্বাস কৰিবলৈ এৰি দিলে আই ৰুষ্ট হয় আৰু বেমাৰ বেছিকৈ হয়। সেয়ে বসন্ত ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ আইসবাহ আয়োজন কৰে। আইসকললৈ যিবোৰ নৈবেদ্য আগবঢ়াই, সেইয়া বিসৰ্জন দি আহে আৰু পিছলৈ ঘূৰি নাচায়। বিসৰ্জনৰ শেষতহে গোপিনীসকলক খাবলৈ দিয়ে। এইদৰেই সাধাৰণতে আইসবাহ আয়োজন কৰে।

**.১.৫ পিঠাখোৱা সকাম ঃ**

ঠেঙ্গাল কছাৰীসকলৰ অন্য এটা সামাজিক লোকাচাৰ হৈছে পিঠাখোৱা সকাম। পিঠাখোৱা হ'লে গাল দুখন ফুলি যায়। এই ৰোগে দেখা দিলে ৰোগীগৰাকীয়ে বিষত খাব নোৱৰা হয়। এই অসুখক বসন্ত ৰোগৰ আইৰ সমানেই জ্ঞান কৰে। পিঠখোৱা হ'লে আই তিনিগৰাকী মাতি আনি ৰোগীক ঘৰৰ দুৱাৰ চুকত বহুৱাই লয়। অঞ্চলভেদে ঠেঙ্গাল জনগোষ্ঠীৰ কিছুমানে ঢেঁকীৰ মূৰতো বহুৱায়। তাৰ পিছত কেঁচা পিঠাগুড়িৰ লগত এৰাঁ গাখীৰ, গুৰ, থুৰীয়া তামোল দি এগছি বন্তি জ্বলাই আগলি কলপাতত ৰোগীগৰাকীক আগ কৰি খাবলৈ দিয়ে। ৰোগীক খাবলৈ দিয়াৰ থাকি যোৱাখিনি ঘৰৰ বাহিৰৰ পৰিষ্কাৰ ঠাইত থৈ আহে।



Scanned by CamScanner

**.১.৬ ভিতৰ সকাম ঃ**

ভিতৰ সকাম পৰিয়ালৰ মাজত ঘৰত পতা ঠেঙ্গালসকলৰ এটা বিশেষ অনুষ্ঠান। ভিতৰ সকাম বৰঘৰৰ ভিতৰতে অপায়-অমংগল নহ'বৰ বাবে পতা এক পূজা। আখৈ, পিঠাগুড়ি, পৰমান্ন, হাঁহ, সেৰেকা এই সকামত প্ৰয়োজন হয়। এইবোৰ ৰান্ধি প্ৰথমে আইলৈ আগ কৰি বাহিৰত পৰিষ্কাৰ ঠাইত থৈ অহা হয়। তাৰ পিছতহে গোপিনীসকলে গ্ৰহণ কৰে। এই সকাম পাতোতে ঘৰৰ মুৰব্বীজনে বগা কাপোৰ পৰিধান কৰে। ভিতৰ সকাম সাধাৰণতে শিৱ-পাৰ্বতীক উদ্দেশ্য কৰি পতা হয়।

**.১.৭ মৃতকক দিয়া ঃ**

মৃতকক দিয়া কাৰ্য ঠেঙ্গাল কছাৰীসকলে ৰান্ধনিঘৰত সমাপন কৰে। বেমাৰ-আজাৰ, অপায়-অমংগল নাশিবৰ বাবে এই কাৰ্য কৰা হয়। মৃতকক দিবৰ বাবে ঘৰুৱা মদ বা সেৰেকা ভাত, মাছ-মাংস, তামোল-পাণ আগলি কলপাতত সজাই ৰান্ধনিঘৰৰ এক নিৰ্দিষ্ট স্থানত দিয়ে। ঠেঙ্গাল কছাৰীসকলে বিশ্বাস কৰে যে, মৃতকক দিয়া দ্ৰব্যসমূহ মৃতকে মনে মনে গ্ৰহণ কৰে। মৃত ব্যক্তিজনে ভালপোৱা বস্তু মৃতকৰ বাবে আগবঢ়োৱা হয়। অপায়-অমংগল নাশ আৰু মৃতকৰ আশীৰ্বাদ পাবৰ বাবে মৃতকক দিয়া কাৰ্য সমাপন কৰা হয়।

**.১.৮ সদাশিৱৰ পূজা ঃ**

ঠেঙ্গাল কছাৰীসকলৰ ধৰ্মীয় সামাজিক লোকাচাৰসমূহৰ ভিতৰত এটা অন্যতম অনুষ্ঠান হৈছে সদাশিৱৰ পূজা। এই পূজা গোহালিত পতা হয়। গোহালিত মহাদেৱ বা শিৱক উদ্দেশ্যি পূজা দিয়া হয়, যাতে গৰু-গাইৰ কোনো ৰোগ-ব্যাধি, অপায়-অমংগল নহয়। সদাশিৱৰ পূজাৰ দিনা গোহালি ভালদৰে চাফা কৰি আগলি কলপাতত মাহ-প্ৰসাদ, কল-কুঁহিয়াৰে শৰাই সজায়। বুঢ়া-মেথা লোক দুই-চাৰিজনক আমন্ত্ৰণ দিয়া হয় আৰু তেওঁলোকে আহি বাঁহৰ চুঙাৰ পৰা সুন্দৰকৈ চিলিম বনাই বনৰীয়া ভাং শিৱৰ নাম লৈ সেৱন কৰে।[৮]

**২.০২ ধৰ্মনিৰপেক্ষ সামাজিক লোকাচাৰ ঃ**

ধৰ্মনিৰপেক্ষ সামাজিক লোকাচাৰ বুলিলে সংস্কাৰমূলক কৃষিভিত্তিক লোকাচাৰসমূহক বুজা যায়। সংস্কাৰমূলক বুলিলে জন্ম-মৃত্যু আৰু বিবাহক বুজায়। ঠেঙ্গাল কছাৰীসকলে জন্ম-মৃত্যু-বিবাহ আৰু কৃষিভিত্তিক সম্পৰ্কীয় বিভিন্ন নীতি-নিয়ম পালন কৰা পৰিলক্ষিত হয়।

**.২.১ বিবাহ সম্পৰ্কীয় সামাজিক লোকাচাৰ ঃ**

বিবাহ সম্পৰ্কীয় জনগোষ্ঠীৰ এক বিশেষ অনুষ্ঠান। বিবাহৰ কিছুমান সামাজিক ৰীতি-নীতি থাকে। ঠেঙ্গাল কছাৰীসকলেও বিবাহ চাৰিধৰণে পালন কৰে-

(১) নোৱাই তোলনি বিয়া।

(২) বৰবিয়া।

(৩) আবিয়ৈ বিয়া বা জোৰণ দিয়া বিয়া।

(৪) পোহনি বিয়া।

**.১.১ নোৱাই তোলনি বিয়া ঃ**

নোৱাই তোলনি বিয়া বা তোলনি বিয়া ছোৱালী এজনী প্ৰথম পুষ্পিতা তোলা হয়। ঋতুমতী হোৱাৰ দিনাৰ পৰা চাৰি দিন ছোৱালীজনীক পুৰুষে নেদেখাকৈ আঁচুতীয়া কোঠা এটাত সোমোৱাই



Scanned by CamScanner

থোৱা হয়। সেই কেইদিন ছোৱালীজনীক লঘু আহাৰহে খাবলৈ দিয়ে। চতুৰ্থ দিনা চাৰিডাল পাটিদৈৰে বেই সাজি গা ধুৱায়। গা ধোৱাওঁতে পূবলৈ মুখ কৰি ধুওৱা হয়। ঋতুমতী হোৱাৰ দিনাই গণক বা জ্যোতিষীক দিন-বাৰ আদি চোৱাই আনে। মূল বিয়াখন ৯/১১/১৩ দিনত তোলে। জ্যোতিষীৰ মতে ব্ৰত দীঘলীয়া হ'লে ব্ৰতৰ শেষতো বিয়াখন তোলে। ছোৱালীজনীয়ে কন্যাকাল পোৱাৰ পিছতেই তিনিটা ডিমৰুগুটি, সৰা চুলি দুডাল, এটা খুচুৰা পইচাৰে সৈতে এযোৰ তামোল-পাণ লৈ কনাই বন্ধা হয়। ঠেঙ্গালসকলৰ বিশ্বাস অনুসৰি কনাই সন্তানৰ প্ৰতীক। মূল বিয়াৰ আগদিনা গাঁৱৰ তিৰোতাসকলে আহি আখৈ ভাজে। বিয়াৰ দিনা কইনাক মাহ-হালধিৰে গা ধুওৱা হয়। তাৰ পাছত আখৈৰ সৈতে কইনা সূৰ্য দেৱতাক প্ৰণাম জনায়। কইনাক নোৱাই-ধুৱাই হোৱাৰ পিছত কইনাক দাঙি ঘৰৰ ভিতৰলৈ নিয়ে। কইনাক পাট-মুগা বাবে তেনে কাপোৰেৰে সজাই তোলে আৰু শিৰত সেন্দুৰ দিয়ে। তাৰ পিছত কইনাজনীৰ কোলাত 'কানাই' দি কনাই ধেমালি কৰা হয়। কনাই ধেমালি কৰা সময়ত আলহী, বংশ-কুটুম্বে ছোৱালীজনীক উপহাৰ দিয়ে। আয়তীসকলে ইজনীয়ে-সিজনীৰ মুখত পিঠাগুড়ি ঘঁহি নাচ-গান কৰে। কইনাৰ মাককো শামুকৰ খোলাৰ মালা, ভগা জাকৈ-খালৈ দি নাচিবলৈ বাধ্য কৰোৱায়। শেষত আয়তীসকলে কইনাক আশীৰ্বাদ দিয়ে আৰু আখৈ-পিঠা আদি জা-জলপানেৰে আয়তী আৰু আলহীসকলক আপ্যায়ন কৰায়।

কইনাক যেতিয়া গা ধুওৱা হয়, তাত ব্যৱহৃত বেই এডাল বাঁহেৰে সাজে। বেইৰ বাঁহডালৰ গাঁঠি চুচি ইয়াৰ মূৰত এটা কলডিল লগাই দিয়ে। কিছুমান ঠাইত তামোল আৰু এখন ধনু আঁৰি দিয়ে। বেইৰ তলত কণী এটা, তামোল-পাণ আৰু পইচা পুতি কাষতে এটা কলপুলি ৰোৱে আৰু কলপুলিটোক যত্ন কৰি ৰাখে। কাৰণ ঠেঙ্গাল কছাৰীসকলে বিশ্বাস কৰে যে, কলপুলিটোৰ অনিষ্ট হ'লে কইনাজনীৰ ভৱিষ্যতটো মসৃণ নহয়।

**.১.২ বৰবিয়া ঃ**

ঠেঙ্গাল কছাৰীসকলে বৰবিয়া বিভিন্ন পদ্ধতি তথা নিয়মেৰে সম্পন্ন কৰে। একেটা বংশৰ মাজত বিয়া পতাটো তেওঁলোকৰ সমাজত নিষিদ্ধ। বৰবিয়া হৈছে ব্ৰাহ্ম বিবাহ। এই বিয়া পূৰ্বতে তিনিদিন, পাঁচদিন বা সাতদিনীয়াকৈ পতা হৈছিল। বাট চন্দা, জোৰণ দিয়া বা সাধনি ভাৰ, গৰখীয়া ভাৰ, পানী তোলা, গাঁঠিয়ন খুন্দা, সুৱাগুৰি তোলা, উচৰ্গা, কন্যা সম্প্ৰদান, খোবা-খুবুনী ভঙা আদি পদ্ধতিৰে ঠেঙ্গাল কছাৰীসকলে বিবাহ সমাপন কৰে।

**.২.১ বাট চন্দা ঃ**

বৰবিয়াৰ প্ৰথম সামাজিক কৰ্মভাগেই হৈছে 'তামোল-পাণ পেলোৱা।' দৰাপক্ষ আৰু কইনা পক্ষই উভয়ে বিবাহৰ বাবে মান্তি হ'লে দৰাঘৰে প্ৰথমে ছোৱালী খুজিবলৈ যায়। ইয়াক 'তামোল-পাণ পেলোৱা' বুলি কোৱা হয়। এই 'তামোল-পাণ পেলোৱা' কাৰ্যকে আকৌ 'বাট চন্দা' বুলি কয়। এই দিনটোত দৰাঘৰে চৈপতীয়া পাচিত 'বৰপিঠা' বা 'ভাপপিঠা', গাখীৰৰ টেকেলি, তামোল-পাণ, বৰা চাউল, বৰালি মাছ আদি নিব লাগে। তামোল-পাণ পেলোৱাৰ পিছৰ পৰাই দৰা-কইনাৰ ঘৰৰ মাজত আহ-যাহ আৰম্ভ হয়।

**.২.২ জোৰণ দিয়া বা সোধনি ভাৰ ঃ**

জোৰণ বিয়াৰ আগদিনা দিয়া হয়। গাঁৱৰ আইশকলে পুৱাই আমদালি গাঁঠি ঘৰৰ দুৱাৰ,



Scanned by CamScanner

পদূলিমুখত আঁৰে। জোৰোণৰ দিনা চৈপাচিত বিভিন্ন পিঠা, গাখীৰ, গুড়, বৰালি মাছ আৰু কইনাৰ সাজ হিচাপে ফুলবছা ৰঙীণ ৰিহা-মেখেলা, মুগাৰ চাদৰ-মেখেলা, ঢোলবিৰি আৰু থুৰীয়া এযোৰ, আঙুঠি এটা দৰাঘৰৰ পৰা অনা হয়। চকলী পতীয়া পাচিত কইনাৰ জোৰণৰ বস্তুসমূহ আনে। তাৰ পিছত দৰাৰ মাকে কইনাক পানীতেল সানি নোৱায়। নোৱাই হোৱাৰ পিছত কইনাক সজাই মেলি শিৰত সেন্দুৰ দিয়ে। দৰাৰ বাবে থকা চেলেং, দুকঠীয়া গামোচা, মুগা চুৰিয়া, খনীয়া কাপোৰ, মুগাৰ পাগ আদি কইনাৰ দ্বাৰা স্পৰ্শ কৰি লৈ অহা হয়। এনেদৰেই ৰৰবিয়াৰ জোৰোণ কাৰ্য সম্পন্ন হয়।

**.২.৩ গৰখীয়া ভাৰ ঃ**

গৰখীয়া ভাৰ বিয়াৰ দিনা বৰযাত্ৰীয়ে কইনাৰ ঘৰলৈ নি গৰখীয়া ল'ৰাৰ মাজত ভগাই দিয়ে। এই ভাৰত দৈ, কোমল চাউল, এথোক তামোল, চাৰিগুছি পাণ আদি থাকে। গৰখীয়াসকলক এনে ভাৰ দিলে দৰা-কইনাৰ মংগল হয় বুলি ঠেঙ্গালসকলৰ মাজত বিশ্বাস আছে।

**.২.৪ পানী তোলা ঃ**

বিয়াত পানী তোলা ঠেঙ্গাল কছাৰীসকলৰ অন্য এটা সামাজিক লোকাচাৰ। বিয়াত পানী তুলি আনি সেই পানীৰে দৰা-কইনাক গা ধুওৱা হয়। এই পানীৰে গা-ধুলে দৰা-কইনাক অপকাৰ বা কু-মন্ত্ৰ কৰি বিপদ ঘটাব নোৱাৰে বুলি ঠেঙ্গাল কছাৰীসকলে বিশ্বাস কৰে। এই পানী দৰা-কইনাৰ মাকৰ দ্বাৰা তুলোৱা হয়। পানী তুলিবলৈ যাওঁতে পানী তোলা গৰাকীয়ে মুগাৰ বা তেনে কোনো ভাল সাজ পিন্ধি এটা কাঁহৰ কলহত এঁৰাসূতা মেৰিয়াই কলহৰ মুখত আমৰ ডালি দি ডবুৰা কটাৰী লৈ পানী তোলে। পানী তুলিবলৈ যাওঁতে অকুমাৰী ছোৱালী এজনীক দুনৰি ধৰিবলৈ দিয়া হয়। নৈ বা পুখুৰীৰ পাঁচটা ঘাটৰ পৰা অলপ-অলপকৈ পানী তোলা হয়। পানী তোলোতে ডবুৰা কটাৰীৰে তিনিবাৰ পানী কাটি পানীখিনি মন্ত্ৰপূত কৰা হয়। পানী তুলি আহি দৰা বা কইনাৰ ঘৰৰ বাট পালে তেওঁলোকক আদৰি ভিতৰলৈ নিয়া হয়। কোঠা এটাৰ চুকৰ পূব দিশত পানীৰ ঘট বা টেকেলি আৰু দুনৰিটো ৰখা হয়। এই পানীৰে দৰা-কইনাক মূৰত পানী ঢালি গা ধুওৱা হয়।

**.২.৫ গাঁঠিয়ন খুন্দা ঃ**

গাঁঠিয়ন জোৰণ দিয়া দিনা ৰাতিলৈ গাঁৱৰ আইসকলে পানী তুলি দৰা-কইনাক গা ধুওৱাৰ পিছত খুন্দে। গাঁঠিয়ন এবিধ সুগন্ধি গছৰ শিপা। জোৰণৰ দিনা দৰাপক্ষই কইনাঘৰত এই গাঁঠিয়ন দিয়ে। এই গাঁঠিয়ন কইনাৰ ঘৰত খুন্দা হয়। গাঁঠিয়ন খুন্দোতে কইনা আৰু আইকেইগৰাকীক দুগৰাকীয়ে মূৰৰ ওপৰত চেলেং কাপোৰ দি ঢাকি ধৰে। চেলেংখনত তামোল-পাণ, চাউল, দৰা-কইনাৰ মুখভঙা পাঁচটা কলপাতৰ টোপোলা থৈ নচুৱাই থাকে। গাঁঠিয়ন সাতবাৰ খুন্দা হয়। আয়তীসকলে গাঁঠিয়ন খুন্দি নাম আদি গাই আৰু চাউল দিয়ে। গাঁঠিয়ন খুন্দাৰ সময়তে ঠেঙ্গাল কছাৰীৰ লোকনৃত্য 'খোলাং বুঢ়ী নাচ' নাচে। নচাজনে মূৰত এখন ডলা লৈ তাৰ ওপৰত পাতি পইচা, তামোলৰ বাকলি হাতত লাখুটি এডাল আৰু দৰাঘৰৰ হ'লৈ দৰাৰ ওটৰলৈ আহে। এই নাচ দৰা আৰু কইনা উভয় ঘৰতে হয় আৰু গাঁঠিয়নো দুয়োপক্ষৰ ঘৰতে খুন্দা হয়।

**.২.৬ সুৰাগুৰি তোলা ঃ**

ৰৰবিয়াত দৰা আহি কইনাৰ ঘৰৰ পদূলি পালে কইনাৰ মাকে আয়তীসকলৰ লগত হোম-যজ্ঞৰ বাবে পানী তুলিবলৈ যায়। পানী তুলিবলৈ যাওঁতে এখন ডলা, চালনী বা ডাওৰ কাঁহী এখনত পাঁচ বা



Scanned by CamScanner

সাত গছি চাকি, ধূপ-ধুনা জ্বলাই নিয়ে। তুলি অনা পানীখিনি হোমত ব্যৱহাৰ কৰা হয়। এই পানী দৰা-কইনাৰ গাত পুৰোহিতে আম পাতেৰে ছটিয়াই মন্ত্ৰ পাঠ কৰে। ইয়াকে সুবাগুৰি তোলা বুলি কোৱা হয়।

**.২.৭ উছৰ্গা কৰা ঃ**

উছৰ্গা কৰা ঠেঙ্গাল কছাৰীসকলৰ বৰবিয়াৰ অন্যতম এটা পৰম্পৰা। কইনাৰ ঘৰৰ চোতালত কইনাৰ সম্পৰ্কীয় আৰু জাতি-কুটুম্বে কইনাক বিভিন্ন সামগ্ৰী উছৰ্গা কৰে। উছৰ্গাত কইনাৰ মোমায়েকে গৰু দিয়াটো ঠেঙ্গাল কছাৰীসকলৰ অন্যতম এটা প্ৰথা। উছৰ্গা কৰাসকলক দৰাপক্ষই তামোল-পাণ আদি দি মান ধৰে। বিয়াত উছৰ্গিত সামগ্ৰীসমূহ কইনাৰ স্ত্ৰীধনত পৰে। উছৰ্গিত সমগ্ৰীসমূহৰ তালিকা প্ৰস্তুত কৰি কইনা ঘৰে দৰা ঘৰক অৰ্পণ কৰে।

**.২.৮ খোবা-খুবুনী সবাহ ঃ**

খোবা-খুবুনী বিবাহৰ তৃতীয় দিনা অনুষ্ঠিত কৰা হয়। সেই দিনটোত দৰাঘৰত দৰা-কইনাৰ অলংকাৰসমূহ দুখন আগলি ভীমকলৰ পাতত ৰখা হয় আৰু এটা খৰাহীত গোট কড়াই, মাটিমাহ, তামোল-পাণ আগবঢ়াই খোবা-খুবুনী নামৰ ভূত-ভূতুনী খেদে। খোবা-খুবুনীৰ অপদৃষ্টি দৰা-কইনাৰ গাত নালাগিবলৈ এই সবাহ পাতে। গাঁৱৰ এজন বৃদ্ধই শিৱ-পাৰ্বতীৰ খেতি কৰা মন্ত্ৰ, মুখ ভগা মন্ত্ৰ গাই দৰা-কইনাক আশীৰ্বাদ দিয়ে। তাৰ পিছত দৰা-কইনা দুয়োয়ে ঢেঁকী দি পিঠা খুন্দি ৰাইজক খাবলৈ দিয়ে। ঠেঙ্গাল কছাৰীৰ সমাজত এসময়ত তামোল-পাণ খাই দৰা-কইনাৰ গাত পিক পেলোৱাৰ নিয়মো আছিল। খোৱা-খুবুনীৰ দিনাই ন-কইনাক বয়সস্থ লোকক ভোজ-ভাত দিবলৈ দিয়ে আৰু সেইদিনাৰ পৰাই কইনাক ৰান্ধনি কাৰ্য দিয়া হয়।

**.১.৩ আবিয়ৈ বিয়া ঃ**

আবিয়ৈ বিয়া এদিনীয়াকৈ পাতে। এই বিয়াত পৰিয়ালৰ মুৰব্বীৰ লগত গাঁৱৰ মুখিয়াল কিছুমান লোকে কইনা ঘৰলৈ গৈ কইনাক জোৰোণ পিন্ধাই ভোজ ভাত খাই কইনাক দৰা ঘৰলৈ লৈ আহে। বৰবিয়াৰ দৰে গৰখীয়া ভাৰ সেইদিনাই কইনা ঘৰলৈ নিয়া হয়। দৰাঘৰত কইনা পিছদিনাহে ভোজ-ভাত খোৱায়।

**.১.৪ পোহনি বিয়া ঃ**

পলুৱাই বা চুৰ কৰি বিয়া পতাৰ পিছত সামাজিকভাৱে বিয়াৰ নীতি-নিয়ম কৰা হয়, তাক পোহনি বিয়া বুলি কোৱা হয়। ছোৱালী পলুৱাই অনাৰ দুই তিনিদিনৰ পিছত ল'ৰা ঘৰৰ ফালৰ কেইজনমান লোকে ছোৱালী ঘৰলৈ যায়। ইয়াক 'চোৰ ওলোৱা' বুলি কয়। ছোৱালী ঘৰৰ লগত মিতিৰ হোৱাৰ উদ্দেশ্য লৈ চোৰ ওলাবলৈ যায়। মিতিৰ হোৱাৰ পিছত ল'ৰা ঘৰৰ পৰা ছোৱালী ঘৰলৈ গৈ মাক-দেউতাকক মান দি খাই-বৈ ছোৱালী লৈ আহেগৈ। প্ৰথমে, পলুৱাই বিয়া হোৱাৰ পিছত মাক-দেউতাকে সমাজৰ ওচৰত উদ্ধাৰণি ল'ব লাগে। তেতিয়াহে সমাজে তেওঁলোকক গ্ৰহণ কৰে।

**.২.২ জন্ম সম্পৰ্কীয় লোকাচাৰ ঃ**

প্ৰত্যেক জনগোষ্ঠীৰ মাজত থকাৰ দৰেই ঠেঙ্গাল কছাৰীসকলৰ মাজতো জন্ম সম্পৰ্কীয় বিশ্বাস, সামাজিক লোকাচাৰ প্ৰচলিত আছে। সন্তান জন্মৰ পাছত মাতৃগৰাকীক বহু নীতি-নিয়ম পালন



Scanned by CamScanner

কৰিবলৈ দিয়া হয়। সন্তান জন্মৰ সময়ত মাতৃগৰাকীক এটা আছুতীয়া কোঠাত ৰখা হয়। তাত মতা মানুহ সোমাবলৈ নিদিয়ে। কেঁচুৰা জন্ম হ'লে কেঁচুৰাৰ নাড়ী এঁৰাসূতাৰে বান্ধি বাঁহৰ চোঁচেৰে কটা হয়।

কেঁচুৰা জন্ম হোৱাৰ লগে লগে কিছুমানে বেৰত ঢকিয়াই, ঢেঁকীথোৰা চালৰ ওপৰেৰে দলিয়াই, কাঁহী-বাতি বজাই সন্তান জন্ম হোৱাৰ খবৰ দিয়ে। প্ৰসূতি খোৱা কোঠাটোৰ দুৱাৰ মুখত জাল, বগৰীৰ জেং, ৰাচ, সৰিয়হৰ টোপোলা আদি আঁৰি থয়। ঠেঙ্গাল কছাৰীসকলে বিশ্বাস কৰে যে, এইবোৰ আঁৰি থ'লে ভূত-প্ৰেত আদিয়ে ভিতৰত সোমাব নোৱাৰে। অপদেৱতাই অনিষ্ট কৰিব নোৱৰাকৈ প্ৰসূতিগৰাকীক বেজ-জ্ঞানীৰ পৰা আনি তাবিজ বা সূতাৰ জোল পিন্ধায়। কিছুমান ঠাইত ঠেঙ্গাল কছাৰীসকলে কেঁচুৰাটোক গলৰীয়া পলুৰ খোলা তাবিজ কৰি পিন্ধায়। সন্তান জন্মৰ পিছতে অশৌচভঙা, শুধিসবাহ আদিৰ নিয়ম কৰা হয়।

**.২.১ অশৌচভঙা ঃ**

কেঁচুৰা জন্ম হোৱাৰ পিছত সেই ঘৰখনক অশৌচ লগা বা চোৱা লগা বুলি ধৰা হয়। এই অশৌচ বংশৰ সকলোৱে মানি চলে। চোৱা লগাৰ সময়ত সেই ঘৰখনত কোনো ধৰণৰ উৎসৱ নাপাতে আৰু ৰাইজেও সেই ঘৰখনত খোৱা-লোৱা নকৰে। অশৌচ বা চোৱা লাগি থকা মানুহঘৰেও আন মানুহৰ ঘৰত খাব নোৱাৰে আৰু মানুহৰ ঘৰলৈ গ'লেও নিৰ্দিষ্ট নিয়ম মানিব লাগে। এই চোৱা ১৫ দিন, ২১ দিন আৰু কিছুমানে এমাহত ভাঙে। চোৱা ভঙাৰ দিনা ঘৰৰ আৰু বংশৰ লোকে কাপোৰ-কানি ধুই, ঘৰ চাফ-চিকুণ কৰে। এই দিনটোতেই কেঁচুৰাৰ চুলি খুৰাই গোবৰৰ লগত মিলাই পদূলিৰ ফালে বেৰত ঘূৰণীয়াকৈ এটা তামৰ পইচা দি থয়। এনে কৰিলে কেঁচুৰাৰ চুলি ঘন হয় বুলি ঠেঙ্গাল কছাৰীসকলে বিশ্বাস কৰে।

**.২.২ শুধিসবাহ ঃ**

কেঁচুৰাক গা-পা ধুৱাই চোৱা আঁতৰোৱাৰ এই অনুষ্ঠানক শুধিসবাহ বুলি কয়। সোণৰ গহণা, গাখীৰ, পইচা, চাউল আদি পানীত মিহলি কৰি সেই পানীৰে কেঁচুৰাক গা-ধুৱায়। সেই দিনটোত কেঁচুৰাৰ মাককো গা-ধুবলৈ দিয়া হয় আৰু গা ধুওৱা পানীখিনি গছ এজোপাৰ গুড়িত পেলাই থৈ অহা হয়। পানী ঢালি ঘূৰি আহোঁতে মাকে পাছলৈ উলটি চাব নাপায় বুলি বিশ্বাস কৰা হয়।

শুধিসবাহৰ দিনাই সন্তানৰ নাম ৰখা হয়। ঠেঙ্গালসকলে সন্তানৰ জন্মৰ মাহ-বাৰ অনুসৰি আগতে নাম ৰাখিছিল। গনকৰ দ্বাৰা গননা কৰিও নাম ৰখা হৈছিল।

**.২.৩ মৃত্যু সম্পৰ্কীয় লোকাচাৰ ঃ**

ঠেঙ্গাল কছাৰী সমাজত মৃত্যু সম্পৰ্কীয় সামাজিক লোকাচাৰো পৰিলক্ষিত হয়। মৃতকৰ সৎকাৰৰ সময়তো বিভিন্ন নিয়ম মানি চলে। ইয়াত পুৰুষৰ অংশ গ্ৰহণেই বেছি। ঋতুমতী নোহোৱা ছোৱালীৰ মৃত্যু হ'লে শৱ দাহ নকৰি পুতি থয়। তেনেকৈ আত্মহত্যা কৰা লোকৰ শৱ সৎকাৰ কৰা নহয়। শৰণ লোৱা, বিবাহিত পুৰুষ-মহিলাৰ মৃত্যু হ'লে শৱ দাহ কৰাৰ পৰা সকলো কাজ-কৰ্ম কৰে। মৃত্যুৰ তিনিদিনৰ পিছত তিলনি, দহ দিনত 'দহা' আৰু মাহেকত 'কাজ' পাতে। কাজ-কৰ্ম শেষ হ'লে গিয়াতালি ভোগ গ্ৰহণ কৰে।

কোনো মহিলাৰ স্বামীৰ মৃত্যু হ'লে শিৰৰ সেন্দুৰ মচি পেলোৱা হয়। অন্য কিছুমান জনগোষ্ঠীৰ মাজত থকাৰ দৰে ঠেঙ্গাল কছাৰী সমাজত বিধৱা মহিলাৰ ক্ষেত্ৰত কোনো কঠোৰ বাধা-নিষেধ নাই। অন্য মহিলাৰ দৰেই তেওঁলোক থাকিব পাৰে। কেৱল বিয়াৰ দৰে মাঙ্গলিক কাৰ্যত তেওঁলোকে অংশগ্ৰহণৰ পৰা বিৰত থাকে।



Scanned by CamScanner

### .২.০৩ কৃষিভিত্তিক উৎসৱ ঃ

কৃষি প্ৰধান জনগোষ্ঠী হিচাপে ঠেঙ্গাল কছাৰীসকলে কৃষিৰ লগত জড়িত বিভিন্ন উৎসৱ-পাৰ্বণ পাতে। কৃষিকৰ্মৰ লগত জড়িত দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ, খেতি ভাল হ'বলৈ বিভিন্ন উৎসৱ পালন কৰে। লখিমী সবাহ, ভেকুলী বিয়া, বৰসবাহ, সদাশিৱ পূজা আদি বিভিন্ন উৎসৱ পতা হয়।

### .৩.১ লখিমী সবাহ ঃ

কৃষিৰ লগত জড়িত এটা অন্যতম সামাজিক অনুষ্ঠান হৈছে লখিমী সবাহ। কাতি মাহৰ পূৰ্ণিমাৰ দিনা লক্ষিমী সবাহ বা পূজা পাতে। লখিমী পূজাৰ দিনা নতুন ধানৰ আগ এমুঠি কাটি আনি ভঁৰালৰ মুখত আঁৰি থয়। সন্ধিয়া কেঁচাপিঠা, কল, ধূপ-ধূনা, বন্তি জ্বলাই লখিমী সবাহৰ গীত গায়। ভূঁই ৰোৱাৰ প্ৰথম দিনাও গৃহস্থই পথাৰৰ তিনিআলিত ঢিপ বনাই আগলতি কলপাতত তামোল-পাণ, চাকি জ্বলাই ঢিপটোত তৰাগছ বা কচুগছ ৰুই লখিমীক প্ৰাৰ্থনা কৰে। লগতে বাঁহৰ জেং এডালো পুতি থৈ আহে। মাঘবিহুৰ দিনাও ঠেঙ্গাল মহিলাসকলে ভঁৰালত লখিমী সুমুৱায়। ধান দাই শেষ কৰাৰ পাছত থোক এটা আনি ভঁৰালত চটিত থয়। মাঘবিহুৰ দিনা ঘৰৰ গৃহিণীগৰাকীয়ে ভঁৰালত লখিমী ভৰায়। ঠেঙ্গালসকলে মাঘ মাহটোত ভঁৰালৰ পৰা ধান নুলিয়াই আৰু এই মাহত ভঁৰাল সম্পূৰ্ণ বন্ধ কৰি থয়। ভঁৰালৰ পৰা প্ৰথম ধান উলিওৱাৰ দিনাও পিঠাগুৰি, কল, মাহ-প্ৰসাদ, ধূপ-চাকি জ্বলাই নিয়মেৰে ধান উলিওৱা হয়। লখিমী সম্পৰ্কীয় কিছুমান বিশ্বাসো ঠেঙ্গাল কছাৰীসকলৰ মাজত প্ৰচলন আছে। অশুচি মানুহক ভঁৰাল চুবলৈ নিদিয়া, সন্ধিয়া ভঁৰাল খুলিব নিদিয়া আদি বিশ্বাস প্ৰচলিত আছে।

### .৩.২ শুধিসবাহ ঃ

কৃষিজীৱী সমাজত ভেকুলী বিয়া অন্যতম অনুষ্ঠান। বাৰিষা কালত বৰষুণ নহ'লে ভেকুলী বিয়া পতা হয়। ঠেঙ্গাল কছাৰী সমাজত ভেকুলীৰ বিয়া জেঠ-আহাৰ মাহ মানত পাতে। এই বিয়া কলপাতৰ ৰভা দি আয়োজন কৰে আৰু এঘৰত দৰা আৰু এঘৰত কইনা ৰখা হয়। অন্য বিয়াৰ দৰেই ভেকুলী বিয়াও পানী তোলাৰ পৰা ধৰি সকলো নিয়ম-নীতিৰ মাজেৰে অনুষ্ঠিত কৰে। চোতালত নাঙল চোঁচৰাই হালবায়ো বৰষুণৰ কামনা কৰা ঠেঙ্গাল কছাৰীৰ সমাজত দেখা যায়।

### .৩.৩ বৰসবাহ ঃ

বৰসবাহ নামঘৰত ৰাজহুৱাকৈ পতা এক কৃষিভিত্তিক উৎসৱ বুলি ক'ব পাৰি। বৰসবাহ সাধাৰণতে ব'হাগ মাহত আয়োজন কৰে। বৰসবাহত নাম-প্ৰসংগ গোৱা হয়। এই সবাহত ওচৰ-চুবুৰীয়া গাঁৱৰ মানুহো মতা হয়। পূৰ্বতে ওচৰ-চুবুৰীয়া এই মানুহবোৰ আহোঁতে হাঁহ-কোমোৰা আদি লৈ আহিছিল আৰু এই সামগ্ৰীবোৰ ৰান্ধি ৰাতি নাম আদি গায় ৰাতিপুৱা ভোজ-ভাত খোৱা হৈছিল। বৰ্তমান এই বৰসবাহ অলপ সৰণীকৃত হোৱা দেখা যায়। এই বৰসবাহ আয়োজন কৰাৰ উদ্দেশ্য হৈছে আগন্তুক কৃষি-কৰ্ম ভাল হোৱা, শস্য লহপহকৈ ডাঙৰ হোৱা, পোকে নধৰা আদি। এইসমূহ উদ্দেশ্য আগত ৰাখিয়েই বৰসবাহ পতা হয়।



Scanned by CamScanner

## সিদ্ধান্ত ঃ

'ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক লোকাচাৰ' শীৰ্ষক বিষয়টোৰ আলোচনাৰ শেষত পোৱা কেইটামান সিদ্ধান্ত হ'ল-

১। মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত ঠেঙ্গাল কছাৰীসকলক অসমৰ বৃহত্তৰ বড়ো জনগোষ্ঠীয়ে প্ৰতিনিধিত্ব কৰিছে।

২। ঠেঙ্গাল কছাৰীসকলে 'ঠেঙ্গা' পৰিধান কৰাৰ বাবেই তেওঁলোক 'ঠেঙ্গাল' নামেৰে পৰিচিত হ'ল।

৩। এই জনগোষ্ঠীটো নিজস্ব সামাজিক লোকাচাৰ, ৰীতি-নীতি, বৈশিষ্ট্যৰে সমৃদ্ধিশালী।

৪। তেওঁলোকৰ সামাজিক কৰ্মসমূহ যেনে- লখিমী সবাহ, আয়াসতোলা সবাহ, বিবাহ পদ্ধতি, জন্ম সম্পৰ্কীয় লোকাচাৰ, মৃত্যু সম্পৰ্কীয় লোকাচাৰ আদি প্ৰতিটো লোকাচাৰেই নিজস্ব নিয়ম-নীতিৰে পালন কৰে।

৫। তেওঁলোকৰ এই লোকাচাৰসমূহে জনগোষ্ঠীটোৰ সুকীয়া পৰিচয় বহন কৰিছে।



Scanned by CamScanner

উপসংহাৰ ঃ

অসমৰ জনগোষ্ঠীসমূহৰ ভিতৰত ঠেঙ্গাল কছাৰী জনগোষ্ঠী অন্যতম। ঠেঙ্গাল কছাৰীসকল কিছুমান স্বকীয় বৈশিষ্ট্যৰে চহকী। তেওঁলোকৰ সামাজিক ৰীতি-নীতিৰ ক্ষেত্ৰতো স্বকীয় বৈশিষ্ট্য বিদ্যমান। 'ঠেঙ্গাল কছাৰী জনগোষ্ঠীৰ সামাজিক ৰীতি-নীতি' শীৰ্ষক বিষয়টোৰ প্ৰথম অধ্যায়ত ঠেঙ্গাল কছাৰীৰ ইতিহাস আৰু তেওঁলোকৰ পৰিচয় দাঙি ধৰা হৈছে। অধ্যায়টোত ঠেঙ্গালসকলৰ ঐতিহাসিক তথ্য আৰু 'ঠেঙ্গাল' নামৰ উৎপত্তিৰ পৰিচয় দিয়া হৈছে।

দ্বিতীয় অধ্যায়ত ঠেঙ্গাল কছাৰীৰ সামাজিক ৰীতি-নীতিৰ বিষয়ে আলোচনা কৰা হৈছে। ধৰ্মীয় সামাজিক ৰীতি-নীতি যেনে- অপেশ্বৰী বা উপসবাহ, আইসবাহ, পানীতোলা সবাহ, আয়ুসতোলা সবাহ; ধৰ্ম নিৰপেক্ষ সামাজিক ৰীতি-নীতি হিচাপে বিবাহ পদ্ধতি, যেনে- নোৱাই তোলনি বিয়া, বৰবিয়া, আবিয়ৈ বিয়া, পোহনি বিয়া, জন্ম সম্পৰ্কীয় লোকাচাৰ, মৃত্যু সম্পৰ্কীয় লোকাচাৰ; ধৰ্ম নিৰপেক্ষ কৃষিভিত্তিক উৎসৱ- লখিমী সবাহ, ভেকুলী বিয়া, সদাশিৱৰ পূজা, বৰসবাহৰ বিষয়ে আলোচনা কৰা হৈছে। এইসমূহ পালন কৰাৰ নিয়ম আদি সম্পৰ্কে এই অধ্যায়টোত উপস্থাপন কৰা হৈছে।



Scanned by CamScanner

**প্ৰসংগসূচী ঃ**


১। যোগেশ্বৰ বড়া, চীনৰ পৰা দৈয়াঙলৈ ঃ ঠেঙ্গাল কছাৰীৰ উৎপত্তি আৰু তেওঁলোকৰ আৰ্থ-সামাজিক অৱস্থা পৃঃ ২০

২। মুকুট শৰ্মা, ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি পৃঃ ১৩

৩। যোগেশ্বৰ বড়া, চীনৰ পৰা দৈয়াঙলৈ ঃ ঠেঙ্গাল কছাৰীৰ উৎপত্তি আৰু তেওঁলোকৰ আৰ্থসামাজিক অৱস্থা, পৃঃ ২১

৪। যোগেশ্বৰ বড়া, চীনৰ পৰা দৈয়াঙলৈ ঃ ঠেঙ্গাল কছাৰীৰ উৎপত্তি আৰু তেওঁলোকৰ আৰ্থসামাজিক অৱস্থা, পৃঃ২১

৫। যোগেশ্বৰ বড়া, চীনৰ পৰা দৈয়াঙলৈ ঃ ঠেঙ্গাল কছাৰীৰ উৎপত্তি আৰু তেওঁলোকৰ আৰ্থসামাজিক অৱস্থা, পৃঃ২২

৬। যোগেশ্বৰ বড়া, চীনৰ পৰা দৈয়াঙলৈ ঃ ঠেঙ্গাল কছাৰীৰ উৎপত্তি আৰু তেওঁলোকৰ আৰ্থসামাজিক অৱস্থা, পৃঃ২৫

৭। মুকুট শৰ্মা, ঠেঙ্গাল কছাৰীৰ জীৱন আৰু সংস্কৃতি, পৃঃ৩৪

৮। মুকুট শৰ্মা, ঠেঙ্গাল কছাৰীৰ জীৱন আৰু সংস্কৃতি, পৃঃ৩৯




Scanned by CamScanner

## গ্ৰন্থপঞ্জী ঃ


ঠেঙাল, হেমেন্দ্ৰ (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সপ্তম প্ৰকাশ, মাৰ্চ, ২০০৭

শইকীয়া, নগেন ঃ গৱেষণা পদ্ধতিৰ পৰিচয়, কৌস্তুভ প্ৰকাশন, নতুন বজাৰ, ডিব্ৰুগড়-১ প্ৰথম প্ৰকাশ, ছেপ্টেম্বৰ, ১৯৯৬, নৱম মুদ্ৰণ মাৰ্চ, ২০০২

শইকীয়া, বন্তি (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন নৱম দ্বি-বাৰ্ষিক অধিৱেশন, তিতাবৰ, যোৰহাট, জানুৱাৰী, ২০০৯

শইকীয়া, মণ্টু (সম্পা.) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠন দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন, তিতাবৰ, যোৰহাট, এপ্ৰিল, ২০০২

শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোক সংস্কৃতিৰ আভাস, বাণী প্ৰকাশ, গুৱাহাটী, ২০১৮

শৰ্মা, মুকুট ঃ ঠেঙ্গাল কছাৰী জীৱন আৰু সংস্কৃতি, অসম বুক ট্ৰাষ্ট, গুৱাহাটী-৩, প্ৰথম প্ৰকাশ, জুলাই, ২০১৯

শইকীয়া, সৰোজ (সম্পা) ঃ ঠেঙ্গাল দৰ্পণ, স্মৃতিগ্ৰন্থ, সদৌ অসম ঠেঙ্গাল কছাৰী সংগঠনৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক অধিৱেশন ৩০ মাৰ্চ, ২০১৯




Scanned by CamScanner

## তথ্যদাতাৰ তালিকা

| নাম | বয়স | গাঁও |
|---|---|---|
| যোগেশ্বৰ বড়া | ৭০ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |
| সুচিত্ৰা কছাৰী | ৬০ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |
| পুহিতা কছাৰী | ৬২ | কচুখাট, তিতাবৰ, যোৰহাট। |
| কনক কছাৰী | ৬৫ | কচুখাট, তিতাবৰ, যোৰহাট। |
| মিহিকান্ত কছাৰী | ৬৭ | কচুখাট, তিতাবৰ, যোৰহাট। |
| ফুল শইকীয়া | ৬৮ | চেকুৰীয়া, তিতাবৰ, যোৰহাট। |
| ডিম্বেশ্বৰ কছাৰী | ৮২ | লায়েট ন-চুঙী, তিতাবৰ, যোৰহাট। |
| ভুবন বড়া | ৬২ | ২ নং বেবেজীয়া কছাৰী গাঁও, তিতাবৰ, যোৰহাট। |



Scanned by CamScanner